# মামণি ৰয়ছম গোস্বামী

সাহিত্য সৃষ্টি আৰু জীৱন এককাৰ হৈ পৰা বুলি উপলব্ধি কৰা আন্তৰ্জাতিক খ্যাতিসম্পন্না জ্ঞানপীঠ বঁটাৰে সন্মানিতা মামণি ৰয়ছম গোস্বামীৰ জন্ম হয় ১৯৪২ চনত গুৱাহাটীত। লতাশিল প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি তেওঁ ১৯৬৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৭১ চনত শ্ৰীমতী গোস্বামীয়ে দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাপে যোগদান কৰে আৰু বৰ্ত্তমানেও তেওঁ এই বিশ্ববিদ্যালয়তে অধ্যাপিকা ৰূপে কৰ্মৰতা। 'Ramayana from Ganga to Brahmaputra' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে মামণি ৰয়ছম গোস্বামীয়ে ১৯৭৩ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে।

গল্পৰ দ্বাৰা লেখিকা জীৱনৰ পাতনি মেলা মামণি ৰয়ছম গোস্বামীৰ গল্প সংকলনসমূহৰ ভিতৰত আছে *চিনাকী মৰম* (১৯৬২), *কইনা* (১৯৬৬), *হৃদয় এক নদীৰ নাম* (১৯৯০), *মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প* (১৯৯৮)। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত *চেনাবৰ সোঁত* (১৯৭২), *নীলকণ্ঠী ব্ৰজ* (১৯৭৬), *অহিৰণ* (১৯৮০), *মামৰে ধৰা তৰোৱাল আৰু দুখনমান উপন্যাস* (১৯৮০), *দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা* (১৯৮৮) আদি উল্লেখযোগ্য। *আধালেখা দস্তাবেজ (১৯৮৮)*তেওঁৰ আত্মজীৱনীমূলক উপন্যাস। ২০০২ চনত মামণি ৰয়ছম গোস্বামী ভাৰতীয় সাহিত্যৰ সন্মানজনক জ্ঞানপীঠ বঁটাৰে সন্মানিত হয়।

যশস্বী কথাশিল্পী, মামণি ৰয়ছম গোস্বামীয়ে *ৰামধেনু*ৰ শেষৰ স্তৰত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰে। *ৰামধেনু*ত প্ৰকাশ হোৱা এইগৰাকী লেখিকাৰ গল্প মাত্ৰ এটিয়েই - 'বীজাণু'[৫১৮]। বলিষ্ঠ ৰচনাভংগী, গভীৰ মানৱতাবোধ, দুৰ্বল পীড়িতজনৰ প্ৰতি অন্তৰভৰা সহানুভূতিৰে তেওঁৰ গল্পবোৰ সমুজ্বল। মানুহৰ অন্তৰ্জগতখনৰো তেওঁ এগৰাকী সুনিপুণ বিশ্লেষক আৰু সূক্ষ্ম পৰ্যবেক্ষক। মানুহৰ বিশেষকৈ নাৰীৰ অৱদমিত মৌলিক প্ৰবৃত্তিবোৰৰ বাস্তৱসন্মত আৱিষ্কাৰৰ প্ৰচেষ্টা তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। বিষয়বস্তুৰ মনোগ্ৰাহী উপস্থাপন, জীৱনবোধ, মননশীলতা, সংবেদনশীলতা আৰু বাস্তৱধৰ্মিতাই তেওঁৰ গল্পক আকৰ্ষণীয় কৰি তোলে। 'বীজাণু' গল্পটোত কিশোৰী আইমানোৰ ঘৰৰে পুৰণি বিশ্বাসী লগুৱা তথা তাইৰো শৈশৱৰ প্ৰিয় লগৰীয়া শ্ৰীগুৰুৰ প্ৰতি থকা অকৃত্ৰিম আন্তৰিক মৰম আৰু সহানুভূতিৰ বৰ্ণনা আছে - যিখিনি শ্ৰীগুৰুৰ নৈতিক স্খলনতো অপৰিবৰ্তিত হৈয়েই ৰৈছে বৰঞ্চ গভীৰ সহানুভূতিয়ে পূৰ্বতকৈ বেছিকৈহে আইমানোৰ

৫১৮। মামণি ৰয়ছম গোস্বামী- 'বীজাণু', *ৰামধেনু*, ১৫শ বছৰ, ১০ম সংখ্যা

হৃদয় অধিকাৰ কৰি পেলাইছে।

আদহীয়া, জধলা শ্ৰীগুৰুৰ মানসিক চিন্তা-ধাৰা আৰু চাল-চলনৰ পৰিৱৰ্তন আৰম্ভ হয় বন্ধু ৰামপতিৰ বিয়াৰ পিছৰেপৰা। ৰামপতিৰ ঘৈণীয়েক দময়ন্তীয়ে কৰা তুচ্ছ তাচ্ছিল্যই শ্ৰীগুৰুক থকাসৰকা কৰে আৰু সি দেখনিয়াৰ, পৰিস্কাৰ হৈ থাকিবলৈ যত্ন কৰিবলৈ লয়। ৰামপতি আৰু দময়ন্তীৰ দাম্পত্য প্ৰেমৰ আকৰ্ষণত শ্ৰীগুৰুৱেও নিজৰ বিয়াৰ বিষয়ে ভাবিবলৈ আৰম্ভ কৰে আৰু সেই উদ্দেশ্যেৰে ঘৰ পাতিবলৈ মন কৰি নিজৰ গাঁৱৰ কথা বাদ দি আইমানোহঁতৰ ঘৰৰে বস্তু-বাহানি বিনাদ্বিধাই চুৰ কৰিবলৈ ধৰে। আইমানোৱে কিন্তু শ্ৰীগুৰুৰ এই দুষ্কৰ্মত অলপো আচৰিত নহৈ মনে মনে এক অজান আনন্দত পুলকিত হৈ পৰে। আইমানোৱে বুজি নাপালে জীয়াই থকাৰ যুঁজে কাবু কৰি পেলোৱা অথচ সেই যুঁজকে নিজৰ প্ৰাপ্য বুলি মানি লোৱা শ্ৰীগুৰুৰ দৰে এটা নিৰীহ মানুহে চোৰৰ প্ৰবৃত্তি কেলেই গ্ৰহণ কৰিলে!

'বীজাণু' গল্পটোৰ মাজতে ভৱিষ্যতৰ কৃতী সাহিত্যিক গৰাকীৰ সম্ভাৱনা নিহিত হৈ আছে। গল্পটোৰ জৰিয়তে লেখিকাই নিৰপেক্ষ আৰু বাস্তৱসন্মত দৃষ্টিভংগীৰে শ্ৰীগুৰু চৰিত্ৰটোৰ মনঃসমীক্ষাত্মক বিচাৰ-বিশ্লেষণ কৰিছে। ৰামপতিৰ ঘৈণীয়েক স্থূল চিন্তাধাৰাৰ অধিকাৰী দময়ন্তীৰ মনৰ মাজলৈও লেখিকাই জুমুকি মাৰি চাইছে - দাম্পত্য জীৱনকে চূড়ান্ত সুখকৰ বুলি ভবা এইগৰাকী নাৰীয়ে শ্ৰীগুৰুৰ দৰে বুঢ়া-ঢেলাবোৰক পুতৌৰ দৃষ্টিৰে চাইছিল। তাই নিজৰ সীমিত জ্ঞানেৰে এনেকুৱা মানুহক বৰ দুভৰ্গীয়া বুলি গণ্য কৰিছিল -

> মই লক্ষ্য কৰিছিলো চাহৰ গিলাচটো বা তামোলৰ বঁটাখন লৈ যেইবাৰ দময়ন্তী শ্ৰীগুৰুৰ সন্মুখত থিয় হৈছিল ঠিক সেইবাৰে মানুহজনীয়ে চকুৰ এনে এটা দৃষ্টিৰে শ্ৰীগুৰুক হানিছিল যে প্ৰতিবাৰেই শ্ৰীগুৰু চকুৰে মণিব নোৱাৰাকৈ সৰু হৈ গৈছিল।[৫১১]

শক্তিশালী তথা সাৱলীল কথনভংগীৰে গল্পৰ কাহিনীভাগ আগুৱাই লৈ যোৱাত গল্পটো সুখপাঠ্য হৈ পৰিছে। বৰ্ণনাৰ মিতব্যয়িতা, এটাই মাথোন কেন্দ্ৰীয় চৰিত্ৰৰ সৃষ্টি, লক্ষ্যৰ একমুখিতা ৰক্ষা কৰাৰ ক্ষেত্ৰত লেখিকাই সম্পূৰ্ণৰূপে সফলতা লাভ কৰিছে। কাহিনীৰ সাৱলীলতা তথা সুখপাঠ্যতাই পাঠকক সহজতেই আকৰ্ষণ কৰিছে। গল্পটোৰ সামৰণিৰ নাটকীয়তায়ো পাঠকক মুগ্ধ কৰে । দ্বিতীয়বাৰ আইমানোহঁতৰ ঘৰলৈ উভতি অহা শ্ৰীগুৰুৱে আকৌ ৰাতিটোৰ ভিতৰতে এবাকচ বাচন-বৰ্তন লৈ পুনৰ উধাও হৈছে -

৫১১। মামণি ৰয়ছম গোস্বামী- 'বীজাণু', *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ৩০২

ৰুমটোৰ একাষে কাঠ দুচলাৰ ওপৰত থিয় কৰাই থোৱা বাকচটোৰ সাঁফৰখন মেল খাই আছে - তাৰ ভিতৰত এগছো বাচন নাই। শ্ৰীগুৰুৰ ওপৰত মোৰ খং নুঠিল, ঘৃণায়ো শ্ৰীগুৰুৰ প্ৰতি মোৰ মনৰ কোমল ঠাইখিনি অধিকাৰ কৰি নল'লে। মনে মনে মই কিবা এটা পুলক অনুভৱ কৰিলো। এই পুলক কিহৰ মই এতিয়াও নুবুজো।[৫২০] ৩

মামণি ৰয়ছম গোস্বামীৰ গল্প সম্পৰ্কে ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই মন্তব্য দিছে -

মামণি ৰয়ছম গোস্বামীৰ গল্পত গভীৰ জীৱনবোধ অনুভৱ কৰা যায়; যি জীৱনবোধৰ লগত জীৱনৰ নিবিড়তম কাৰুণ্য নিহিত হৈ থাকে। প্ৰাপ্তিৰ তৃষ্ণা অথবা অপ্ৰাপ্তিৰ যন্ত্ৰণাবোধ এটায়ো ৰয়ছম গোস্বামীৰ গল্পত কাৰুণ্যৰ উদ্ৰেক কৰে। ইমান গভীৰ জীৱনবোধ অসমীয়া চুটি গল্পত ৰয়ছম গোস্বামীৰ গল্পতেই পোৱা যায়।[৫২১] ৪

এইগৰাকী গল্পকাৰৰ গল্পৰ অন্যতম বৈশিষ্ট্য হ'ল গভীৰ সংবেদনশীলতা। সেয়েহে তেওঁৰ প্ৰত্যেকটো গল্প পঢ়ি শেষ কৰাৰ পিছত এক অপূৰ্ব অনুভৱ আৰু উপলব্ধিৰে পাঠকৰ হৃদয় পৰিপূৰ্ণ হৈ পৰে।

৫২০। মামণি ৰয়ছম গোস্বামী- 'বীজাণু', *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ৩০৫

৫২১। প্ৰহ্লাদ কুমাৰ বৰুৱা- *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ৩০৮

# ৰামধেনুৰ অন্যান্য লেখক লেখিকাসকল

আগতে উল্লেখ কৰি অহা এইসকল গল্পকাৰৰ উপৰিও আৰু বহুকেইজন লেখকে নিজ নিজ সৃষ্টিৰে *ৰামধেনু*ৰ গল্পৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। *ৰামধেনু*ৱে সৃষ্টি কৰা পৰিবেশটোৰ লগতে পৰীক্ষামূলক প্ৰয়াসক আধুনিকতাৰ মাজলৈ আগবঢ়াই দিয়াত এই সকল লেখকে বিশেষ বৰঙণি যোগাইছে। এইসকল গল্পকাৰৰ ভিতৰত যদু বৰপূজাৰীৰ 'জবানবন্দী', বিনোদ শৰ্মাৰ 'ৰূপান্তৰ', গোবিন্দ চন্দ্ৰ পৈৰাৰ 'চাজুবামা', প্ৰতুল শৰ্মাৰ 'দ্বিজ', ৰাণাজ্যোতিৰ 'পেটু', অৰুণ ভূঞাৰ 'সৰস্বতী', গগন চন্দ্ৰ অধিকাৰীৰ 'বিভ্ৰাট', কমলিনী বৰবৰাৰ 'পূজাৰ চোলা', ৰেণু দেৱীৰ 'প্ৰতিভা', প্ৰীতি ভট্টাচাৰ্যৰ 'অভিশপ্ত', প্ৰভাত গোস্বামীৰ 'গৰাখহনীয়া', ৰবীন দাসৰ 'পৃথিৱী আৰু প্ৰাণ', প্ৰফুল্ল প্ৰসাদ শইকীয়াৰ 'যাত্ৰা', নিৰ্মলেশ্বৰ শৰ্মাৰ 'ভগা বাঁহ', মিহিৰ বৰুৱাৰ 'চাহগছৰ কুঁহিপাত', সত্যৰেখা বৰুৱাৰ 'দেশসেৱিকা', লক্ষ্যধৰচৌধুৰীৰ 'বাৰিক মিস্ত্ৰি', ক্ষীৰোদ শইকীয়াৰ 'বৰষুণ', চন্দন পাঠকৰ 'এটি আঙুঠি', ভাস্কৰ তালুকদাৰৰ 'দীপ্তি', কুমুদ গোস্বামীৰ 'স্পন্দন', দেৱীদাস নেওগৰ 'দুই বন্ধু', নিত্যানন্দ তামুলীৰ 'আৰু সাৰে আছে পদুমনি', কুমাৰ কিশোৰৰ 'শিলাংকন' আদি গল্পই গল্পকাৰসকলৰ সৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

এইসকলৰ উপৰিও ডঃ ভুৱন মোহন দাস, কমলা বুঢ়াগোঁহাই, সদা মৰল, অনুপ বৰদলৈ, গোলাপ খাউণ্ড, ইন্দ্ৰপ্ৰসাদ হাজৰিকা, ভুৱন মোহন মহন্ত, ত্ৰৈলোক্য নাথ ভট্টাচাৰ্য, বিজয় শংকৰ শৰ্মা, দুল ফুকন, বন্দনা দুৱৰা, নৰেন শৰ্মা, পপীয়াতৰা, বেদুইন, হৰিপ্ৰসাদ বৰুৱা, প্ৰেমধৰ ৰাজখোৱা, ধীৰেন্দ্ৰ কুমাৰ বৰঠাকুৰ, অৰুণ কুমাৰ দাস, মিহিৰ কান্ত বৰুৱা, বোধিদ্ৰুম, মহম্মদ তাহেৰ, নজৰুল হুছেইন, ছদ্মা দেৱী, দ্বিজেন শৰ্মা, শচীন দাস, কৈলাশ চন্দ্ৰ দত্ত, মানিক নেওগ, কমল গগৈ, ৰাজেন্দ্ৰ নাথ হাজৰিকা, প্ৰৱীণ ফুকন, ধীৰেন বৰঠাকুৰ, সদা শইকীয়া, কেশৱ শইকীয়া, গিৰীশ ভূঞা, অনু বৰুৱা, ৰুদ্ৰ প্ৰসাদ কাকতি, জয়ন্ত ভূঞা, দীননাথ শৰ্মা, দ্বিজেন বৰুৱা, জিতেন্দ্ৰ নাথ বুজৰবৰুৱা, লম্বেশ্বৰ বৰুৱা, পূৰ্ণ মজুমদাৰ, অঘৰী, যোগেন শৰ্মা, ৰত্ন ওজা, বিশ্বেশ্বৰ হাজৰিকা, পৰীক্ষিত হাজৰিকা, কল্পনা দেৱী, কামিনী ফুকন, কমলাকান্ত বৰা, যামিনী বৰুৱা, যতীন বৰা, নাৰায়ণ চন্দ্ৰ বৰপূজাৰী, ননী গোপাল শৰ্মা, মুকুট বৰুৱা, ধীৰেন্দ্ৰ নাথ বৰুৱা, ললিত চন্দ্ৰ বৰা,

হিৰণ্ময়ী দেৱী, নীলিমা বৰকাকতি, লাৱণ্য দেৱী, কমলা দাস, হেম শৰ্মা, ছাইদুল ইছলাম, যোগেন চেতিয়া, যোগেন শৰ্মা, চিত্ৰকান্ত শইকীয়া, দেৱেন সোণোৱাল, খগেন্দ্ৰ চন্দ্ৰ চহৰীয়া, বসন্ত কুমাৰ শইকীয়া, ভোলানাথ দাস, হেম বৰদলৈ, ভূপেন বেজবৰুৱা, প্ৰকাশ চলিহা,শিৱপ্ৰসাদ সিংহ, জোনালী বৰুৱা, কুসুম বৰা, নিৰুপমা বৰুৱা, প্ৰবোধ চন্দ্ৰ গোস্বামী, মেৰিণা বেগম, পানু চৌধুৰী, দিপালী বৰা, পূৰ্ণেশ্বৰ গগৈ, দেৱেন গগৈ, তামৰ বৰুৱা, জয়শংকৰ প্ৰসাদ, ৰাজীৱ ৰাজখোৱা, কাঞ্চন চৌধুৰী, আদি গল্পকাৰসকলেও *ৰামধেনু*ৰ পাতত স্বকীয় প্ৰতিভাৰে গল্প লিখিছে। *ৰামধেনু*ৰ পৰবৰ্তী যুগৰ প্ৰতিভাশালী গল্পকাৰ শীলভদ্ৰয়ো *ৰামধেনু*ৰ শেষৰ ফালে গল্প লিখিবলৈ আৰম্ভ কৰে।আৱাহন যুগতে আত্মপ্ৰতিষ্ঠা লাভ কৰা কেইবাজনো বিশিষ্ট গল্পকাৰ লক্ষ্মীনাথ ফুকন, কৃষ্ণ ভূঞা, ৰমা দাস, ত্ৰৈলোক্য নাথ গোস্বামী, ৰাধিকা মোহন গোস্বামী, মহীচন্দ্ৰ বৰাই ৰামধেনুৰ পাততো কিছু সংখ্যক গল্প লিখি নিজৰ জয়যাত্ৰা অব্যাহত ৰাখিলে। তেওঁলোকৰ বিষয়ে আকৌ এই অধ্যায়ত বেলেগকৈ আলোচনা কৰা হোৱা নাই।

---

# অসমীয়া চুটিগল্পৰ পৰৱৰ্তী ধাৰালৈ ৰামধেনুৰ বৰঙণি

## চুটিগল্পৰ পৰৱৰ্তী ধাৰালৈ ৰামধেনুৰ বৰঙণি

পূৰ্ববৰ্তী কালৰ সাহিত্যই ভৱিষ্যৎ কালৰ অৰ্থাৎ পৰৱৰ্তী সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত বিশেষ অনুপ্ৰেৰণা আৰু আৰ্হি যোগায়। যিকোনো ভাষাৰ সাহিত্যত এইষাৰ কথা প্ৰযোজ্য। অসমীয়া সাহিত্যৰ ইতিহাসতো প্ৰাচীন কালৰে পৰাই এইকথা পৰিলক্ষিত হৈ আহিছে। চুটিগল্পৰ ক্ষেত্ৰতো এইষাৰ কথাই খাটে। অসমীয়া চুটিগল্পৰ তিনিটা স্তৰ ক্ৰমে *জোনাকী*, *আৱাহন* আৰু *ৰামধেনুৰ* ক্ৰমবিৱৰ্তনৰ ফচলস্বৰূপ হৈছে সাম্প্ৰতিক অসমীয়া গল্প। *জোনাকী*য়ে *আৱাহন*ৰ আৰু *আৱাহনে ৰামধেনুৰ* গল্পকাৰসকলৰ বাবে নিৰ্মাণ কৰি থৈ যোৱা সাৰুৱাথলীৰ পটভূমিতেই এই প্ৰতিটো যুগৰ লেখকসকলে সাহিত্যসৃষ্টিৰ বাবে প্ৰয়োজনীয় সমল লাভ কৰিছিল। পুৰণিৰ কিছু আদৰ্শ আৰু আৰ্হিত আৰু সমকালৰ কিছু সমলেৰে লেখকসকলে প্ৰত্যেক যুগতেই নিজ নিজ সাহিত্য চৰ্চাৰ বাট সুগম কৰি লয়। *ৰামধেনু* আলোচনীয়েও চুটিগল্পৰ পৰৱৰ্তী ধাৰালৈ উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে – যাৰ আদৰ্শ আৰু আৰ্হিয়ে *ৰামধেনুৰ* পৰৱৰ্তী গল্পৰ জগতখনৰ নিৰ্মাণ বা প্ৰসাৰত বিশেষ সহায় কৰিছে।

বাস্তৱচেতনা চুটিগল্পৰ আজন্ম কণ্ঠলগ্ন সম্পদ। গতিকে সমাজ সচেতনতা তাহানিৰে পৰা অসমীয়া চুটিগল্পৰো অন্য এক প্ৰধান বৈশিষ্ট্য। অসমীয়া গল্পৰ পথিকৃৎ লক্ষ্মীনাথ বেজবৰুৱাই ‘সেউতী’ত সমসাময়িক জীৱনৰ কুসংস্কাৰ, অন্ধবিশ্বাস আৰু নাৰীৰ প্ৰতি কৰা সমাজৰ অন্যায়ৰ ওপৰত আঘাত কৰিছে। বেজবৰুৱাৰ বেছিভাগ গল্পৰেই কেন্দ্ৰীয় প্ৰেৰণা এই সমাজ চেতনা। সেই সময়ৰ অসমৰ ক্ষয়িষ্ণু সমাজখনৰ এক সামগ্ৰিক চিত্ৰ তেওঁৰ গল্পত প্ৰতিফলিত হৈছে। কুসংস্কাৰ, অন্ধবিশ্বাস আৰু ৰক্ষণশীলতাৰ মাজত ডুব গৈ থকা অসমীয়া সমাজখনৰ স্পষ্ট ছবি এখন তেওঁৰ গল্পবোৰৰ জৰিয়তে পোৱা যায়। সেই যুগৰ অন্যান্য গল্পকাৰ নকুল চন্দ্ৰ ভূঞা, ৰজনীকান্ত বৰদলৈ, শৰৎ চন্দ্ৰ গোস্বামী আদিও আছিল সামাজিক ভাৱে অত্যন্ত সচেতন লোক। অসমীয়া চুটিগল্পৰ বিস্তাৰৰ যুগ *আৱাহন*ৰ দিনত আৰু ৰোমান্টিক ভাৱধাৰাৰ পূৰ্ণ পয়োভৰৰ মাজতো লেখকসকলে নিজকে সমাজ সচেতন বুলিয়ে পৰিচয় আগবঢ়াব পাৰিছে। ক’বলৈ গলে বেজবৰুৱাৰ দিনতে আৰম্ভ হোৱা সমাজ সংস্কাৰৰ বিষয়টো আৱাহন যুগত অধিক শক্তিশালীহে হৈ উঠিল। *আৱাহন* আলোচনীৰ জনক নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্পত এই দৃষ্টিভংগী অতি প্ৰখৰৰূপত উদ্ভাসিত হৈ উঠিল। এই প্ৰসংগতে লক্ষ্মীধৰ শৰ্মা, ত্ৰৈলোক্য নাথ গোস্বামী, ৰাধিকামোহন ভাগৱতী, মহীচন্দ্ৰ বৰা আদি গল্পকাৰসকলৰ নাম বিশেষভাবে উল্লেখযোগ্য। সমাজৰ অৰ্থনৈতিক মুক্তি, সাম্যবাদী চিন্তাধাৰা আৰু

নাৰীমুক্তিৰ বাণীয়ে *আৱাহন*ৰ গল্প মুখৰিত কৰি তুলিলে। নৰ-নাৰীৰ প্ৰেম, ভিন্ন জাতি-সম্প্ৰদায়ৰ মাজত আন্তৰিক ঐক্যৰ সন্ধান আৰু সেই ঐক্য স্থাপনত এই যুগৰ গল্পকাৰসকল ব্ৰতী হৈ সাম্যবাদী ধ্যান-ধাৰণাৰে জনসাধাৰণৰ সৰ্বাংগীন মুক্তি বিচাৰিলে। তেনেকৈ ৰামধেনুৰ যুগতো লেখকসকলে জীৱনবোধ আৰু গল্পৰ ৰূপ একাত্মক হোৱাৰ প্ৰৱণতাত সামাজিক অন্যায়ৰ বিৰুদ্ধে থিয় দিছে। ভ্ৰষ্টাচাৰ, দুৰ্ভিক্ষ আৰু সাম্প্ৰদায়িক অশান্তিৰ বিৰুদ্ধে এই গল্পকাৰসকলে হাতত কলম তুলি ল'লে। পঞ্চাছৰ দশকতে উত্তৰ আৱাহন যুগৰ লেখকসকলে মাৰ্ক্সীয় দৰ্শনৰ আধাৰত আৱাহন যুগৰ সমাজ চেতনা অধিক প্ৰখৰ কৰি তুলিলে – "তৰুণ গল্পকাৰ সৌৰভ কুমাৰ চলিহাই কাৰ্লমাৰ্ক্সকো তেওঁৰ গল্পৰ অভ্যন্তৰত সন্নিবিষ্ট কৰে – তত্ত্ব আৰু আখ্যানক যুগপৎ গ্ৰথিক কৰিবলৈ প্ৰয়াস কৰে।"[৫২২]

*ৰামধেনু*ৰ লেখক লেখিকাই সামাজিক দায়বদ্ধতাপূৰ্ণ দৃষ্টিভংগী নিক্ষেপ কৰিছে সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ ওপৰত। এই নিঃস্ব, সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি মানৱীয় অনুকম্পা আৰু সমাজৰ উচ্চশ্ৰেণীৰ বিত্তমান মানুহখিনিৰ হৃদয়হীনতাৰ প্ৰকাশ তেওঁলোকৰ গল্পত সততে পৰিলক্ষিত হয়। *জোনাকী, আৱাহন*ৰ দিনত শুনিবলৈ পোৱা নাৰীমুক্তিৰ বাণী প্ৰত্যক্ষভাৱে ব্যক্ত কৰাৰ পৰিবৰ্তে *ৰামধেনু*ৰ গল্পকাৰসকলে গল্পৰ কলা কৌশলৰ চাতুৰ্যৰে, শিল্পগুণেৰে সমৃদ্ধ কৰি ঘোষণা কৰাৰ গুৰুত্ব দিলে। যুদ্ধোত্তৰ যুগৰ সমাজখনক লৈ ৰামধেনুৰ লেখকসকল অতি সচেতন আৰু সৰৱ হৈ পৰিল। সমাজৰ অহিত চিন্তাকাৰী অশুভ শ্ৰেণীটোৰ ভণ্ডামিখিনি আঙুলিয়াই দিও ভালে সংখ্যক গল্প লিখা হ'ল।

*ৰামধেনু*ৰ প্ৰকাশ বন্ধ হোৱাৰ পিছতো অসমীয়া চুটিগল্পৰ জয়যাত্ৰা অব্যাহত থাকিল। এই নতুন গল্পকাৰসকলে *ৰামধেনু*ৰ দৰে এখন সাৰুৱা মঞ্চ নাপালে যদিও *ৰামধেনু*ৰ পৰৱৰ্তী কালৰ বিভিন্ন আলোচনী, বাতৰি কাকত আদিৰ পাতত আত্মপ্ৰকাশ কৰি নিজৰ নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হ'ল। ৰামধেনুৰ পৰৱৰ্তী কালতো সেই সময়ৰ বিশিষ্ট গল্পকাৰসকলে অসমীয়া চুটিগল্পৰ ক্ৰমবিবৰ্তনৰ ধাৰা আগবঢ়াই লৈ গ'ল।

ৰামধেনু আৰু *আৱাহন* যুগত লেখকসকলৰ ৰক্ষিত হৈ থকা সমাজ চেতনা আৰু দায়বদ্ধতা ৰামধেনুৰ পৰৱৰ্তী কালতো অক্ষুণ্ন থাকিল। অৱশ্যে যুগ পৰিবৰ্তনৰ লগে লগে সমাজ পৰিবৰ্তন হোৱাৰ ফলত লেখকৰ দৃষ্টিভংগীৰ যিদৰে সালসলনি ঘটে সেইদৰে সামাজিক দায়বদ্ধতায়ো পৃথক ৰূপ লয়।

৫২২। উপেন্দ্ৰ নাথ শৰ্মা – 'অসমীয়া চুটিগল্পত সমাজ সচেতনতা', *শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প*, পৃঃ ৩২

পঞ্চাছৰ দশকত ৰামধেনুৱে সৃষ্টি কৰা ভাৱশক্তি সত্তৰৰ দশকত আহি কিছু পৰিমাণে স্তিমিত হৈ ৰ'ল।

সত্তৰৰ দশকৰ পৰা কুৰি শতিকাৰ শেষলৈকে এই সময়ছোৱা ৰাজনৈতিকভাৱে অত্যন্ত ঘটনা-বহুল আৰু তাৰ লগে লগে অস্থিৰ ৰাজনৈতিক বাতাবৰণে সমাজখনক বিধৌত কৰি যোৱাত ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ অসমীয়া চুটিগল্প ওপৰত পৰিলক্ষিত হ'ল। সত্তৰৰ দশকৰ ভাষা আন্দোলন, ভাৰত-পাকিস্তানৰ যুদ্ধ, বাংলাদেশৰ জন্ম, দেশৰ জৰুৰী অৱস্থা ঘোষণা, প্ৰথমবাৰৰ বাবে অনাকংগ্ৰেছী চৰকাৰৰ গঠন, দুৰ্বল ৰাজনৈতিক নেতৃত্ব, আশীৰ দশকৰ অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলন, আঞ্চলিকতাবাদী ৰাজনৈতিক উত্থান, বিভিন্ন জনগোষ্ঠীৰ মাজত সংঘাত, সন্ত্ৰাসবাদৰ উদ্ভৱ, দুৰ্নীতিৰ ভয়াবহ ৰূপ আৰু নবৈৰ দশকৰ অসমীয়া সমাজত ভয়াবহভাৱে গা কৰি উঠা বিশ্বাসভংগৰ পৰিৱেশ, মূল্যবোধৰ চূড়ান্ত অৱক্ষয়, ৰাজনৈতিক ভ্ৰষ্টাচাৰ, সামাজিক নিৰাপত্তাহীনতা, নিবনুৱা সমস্যাৰ ভয়াবহতাৰ উপলব্ধিয়ে গল্পকাৰসকলৰ গল্পত ক্ৰিয়া কৰিলে। সমাজত প্ৰকট হৈ পৰা শ্ৰেণীবিভাজন আৰু আদৰ্শহীনতাই লেখকসকলক ভবাই তুলিলে। ইয়াৰ মাজতে আকৌ এচাম লেখকে সামাজিক দৃষ্টিভংগীতকৈ প্ৰেম-ভালপোৱা, মৰম আদি মানৱীয় অনুভূতিবোৰক লৈ সমাজ নিৰপেক্ষভাৱে গল্পত নব্যৰোমান্টিক ধাৰাৰ পৰীক্ষা-নিৰীক্ষা কৰিবলৈ ল'লে। অবৈধ বাংলাদেশীৰ অবাধ প্ৰব্ৰজনে সামাজিক গাঁথনি দুৰ্বল কৰি পেলালে। সাম্প্ৰদায়িক সংঘৰ্ষয়ো মানুহৰ জীৱন অস্থিৰ কৰি তুলিলে। হত্যা, লুন্ঠন আদিৰ সৈতে অতি চিনাকি হৈ পৰা মানুহে এনেকুৱা আতংকময় পৰিবেশ-পৰিস্থিতিৰ সৈতে সহাৱস্থান কৰি চলিবলৈ শিকিলে। "অতি সাম্প্ৰতিক কালৰ ভালেমান গল্পকাৰে তত্ত্ব আৰু সংঘৰ্ষৰ গণ্ডী অতিক্ৰম কৰি সাধাৰণ মানুহৰ সুখ-দুখ, সৌন্দৰ্যবোধ, কদৰ্যতা আৰু ৰীতি-নীতিৰ ওপৰত পোহৰ পেলাই গল্প লিখিবলৈ আৰম্ভ কৰিছে। গল্পকাৰসকলে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা অবিচ্ছেদ্য (অথচ কেতিয়াবা বিচ্ছিন্ন) সম্বন্ধৰ ওপৰতো গুৰুত্ব দিছে। জীৱনৰ সকলো দিশৰ ওপৰতে চকু দিয়া অতি সমৃদ্ধ লেখকসকলে যেন আমাক টেৰেঞ্চৰ এটা কথাকে সোঁৱৰাই দিছে – মানুহ সম্পৰ্কীয় কোনো কথাই মোৰ বাবে বৰ্জনীয় নহয়।"[৫২৩] 2

প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি ক্ষোভ উজাৰ কৰোঁতে নতুন গল্পকাৰসকলৰ গল্প বক্তব্য প্ৰধান হৈ উঠিছে যদিও ব্যতিক্ৰমধৰ্মী গল্পৰো অভাৱ নাই । গল্পকাৰ অৰুণ গোস্বামীৰ 'মাছমৰীয়া ছোৱালীৰ লাজ'[৫২৪]

৫২৩। উপেন্দ্ৰ নাথ শৰ্মা – 'অসমীয়া চুটিগল্পত সমাজ সচেতনতা', *শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প*, পৃঃ ৩৩

৫২৪। অৰুণ গোস্বামী – 'মাছমৰীয়া ছোৱালীৰ লাজ' উত্তৰ *ৰামধেনুযুগৰ নিৰ্বাচিত গল্প*

এনে এটা গল্প য'ত বক্তব্য আৰু শিল্পধৰ্ম দুয়োটাই বৰ সুন্দৰকৈ ৰক্ষিত হৈছে। প্ৰৱীণ গল্পকাৰ শীলভদ্ৰৰ গল্পত শ্ৰেণীবিদ্বেষৰ প্ৰত্যয়জনক বিশ্লেষণ আছে। দৰিদ্ৰৰ প্ৰতি ধনী শ্ৰেণীটোৰ নিৰ্লিপ্ততা আৰু শোষণৰ প্ৰৱণতাক এইজন গল্পকাৰে ৰূপায়িত কৰিছে। উদয়াদিত্য ভৰালী, মদন শৰ্মা, বিপুল খাটনিয়াৰৰ গল্পত সামাজিক ৰাজনৈতিক চেতনাই ভিৰ কৰা দেখা যায়। "সপ্তমৰ দশকত আত্মপ্ৰকাশ কৰা প্ৰণৱজ্যোতি ডেকাই তৎকালীন অসমীয়া গল্পৰ স্থানুধৰ্মিতা আৰু মধ্যবিত্ত সুলভ দৃষ্টিভংগীত বিৰক্ত হৈ গল্প লিখিবলৈ লয়। তেওঁৰ বিখ্যাত 'বেৰাৰিছ লাচ' গল্পত চহৰতলিৰ অধোজগতখন উদ্ভাসিত হৈ উঠিছে। তাত ৰোমান্টিক আৰু বাস্তৱচেতনাৰ মাজত দোদুল্যমান অন্তৰ্জগতৰ ছবি বিধৃত হৈছে।"[৫২৫] ৰামধেনু আৰু বিশেষকৈ আৱাহন যুগৰ বহু গল্পত মুখ্য ভূমিকা লাভ কৰা মাষ্টৰ আৰু কেৰাণীৰ চৰিত্ৰ *ৰামধেনু*ৰ পৰৱৰ্তী কালৰ গল্পত কমি আহিবলৈ ধৰিলে। তাৰ সলনি এই যুগত বিশেষ প্ৰাধান্য লাভ কৰিলে কৃষক আৰু শ্ৰমিক শ্ৰেণীয়ে। সাম্প্ৰতিক যুগৰ গল্পকাৰ বিপুল খাটনিয়াৰৰ খেতিয়ক আৰু শ্ৰমিকৰ ছবি অংকনত বিশেষ দক্ষতা আছে। তেওঁৰ গল্পত সামাজিক অন্যায়-অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ দেখা যায়। আধুনিক জীৱনত সততে পৰিলক্ষিত হোৱা শঠতা, ভণ্ডামি, দুৰ্দশা আৰু প্ৰতাৰণা-প্ৰবঞ্চনাক গল্পৰ বিষয়বস্তু হিচাপে লৈছে ভূপেন্দ্ৰনাথ ভট্টাচাৰ্য, দেৱব্ৰত দাস আদি গল্পকাৰে। মদন শৰ্মা, অৰূপা পটংগীয়া কলিতাৰ গল্পত সমাজ পৰিবৰ্তনৰ আকাংক্ষা আছে। অপূৰ্ব শৰ্মাৰ গল্পতো শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদৰ সুৰ প্ৰকাশ পাইছে। অন্যায়-অবিচাৰৰ প্ৰতি ক্ষোভ আৰু সেই ক্ষোভৰ পৰা সৃষ্টি হোৱা শ্লেষ আৰু ব্যংগ উদয়াদিত্য ভৰালীৰ গল্পৰ কেন্দ্ৰীয় সুৰ। বাস্তৱবাদী গল্পকাৰ অৰুণ গোস্বামীৰ গল্পত সমাজৰ প্ৰত্যেকটো দিশৰ অৱক্ষয়ৰ চিত্ৰ স্পষ্টৰূপত উদ্ভাসিত হৈ পৰে। জীৱনৰ সত্য অভিজ্ঞতা, সঁচা ঘটনাৰ প্ৰকাশ মামনি ৰয়চম গোস্বামীৰ গল্পৰ বৈশিষ্ট্য। নৰ-নাৰীৰ সম্পৰ্কৰ সূক্ষ্ম আৰু ব্যতিক্ৰমী বিশ্লেষণ, বাস্তৱৰ নিৰপেক্ষ আৰু নিৰ্মোহ বিশ্লেষণেৰে শ্ৰীমতী গোস্বামীয়ে তেওঁৰ গল্পৰ আকৰ্ষণ বঢ়াইছে।

গতিকে অসমীয়া চুটিগল্পৰ বুৰঞ্জীলৈ লক্ষ্য কৰি এইটো ক'ব পাৰি যে সমকাল চেতনা আৰু এই চেতনা জড়িত হৈ থকা সমাজ সমালোচনাৰ যিটো বৈশিষ্ট্য পূৰ্বৰ যুগকেইটাৰ বৈশিষ্ট্য আছিল-তাৰ আদৰ্শ আৰু আহিঁ *ৰামধেনু*ৱেও পৰৱৰ্তী ধাৰালৈ অৱদান স্বৰূপে দি থৈ গ'ল। *জোনাকী* আৰু *আৱাহন* যুগৰ গল্পৰ কাহিনী কথনৰ গুৰুত্ব *ৰামধেনু*ৰ দিনত কমি আহিবলৈ ধৰিছিল যদিও কিছুসংখ্যক গল্পত ইয়াৰ প্ৰাধান্য দেখা

৫২৫।উপেন্দ্ৰনাথ শৰ্মা–'অসমীয়া চুটিগল্পত সমাজ সচেতনতা',*শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প*, পৃঃ ৪৮

যায়। সেইদৰে এই কাহিনী কথন ৰীতিৰ আৰ্হিত *ৰামধেনু*ৰ পৰৱৰ্তী কালত কাহিনীধৰ্মী গল্প লিখি উলিয়াইছে। অৱশ্যে পৰৱৰ্তী যুগৰ লেখকসকলে কাহিনীৰ নিটোল ৰূপ এটা ফুটাই তোলাতকৈ মানুহৰ বিভিন্ন আৰু বিচিত্ৰ জীৱন তথা অভিজ্ঞতাক লৈহে বেছি আগ্ৰহী হৈ পৰিল। সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ বিষয়ে সত্যেন্দ্ৰ নাথ শৰ্মাৰ মন্তব্য এই প্ৰসংগত উল্লেখযোগ্য– "কাহিনীৰ নিটোল ৰূপতকৈ চাৰিত্ৰিক বিচিত্ৰ অভিজ্ঞতাৰ প্ৰতিহে লেখকসকল অধিক সচেতন।"[৫২৬] এইটো সাম্প্ৰতিক চুটিগল্পৰ অন্যতম বৈশিষ্ট্য। কাহিনী পৰিহাৰ কৰি চৰিত্ৰৰ মনোজগতত প্ৰবেশৰ জৰিয়তে সত্যৰ সন্ধান কৰাটো সাম্প্ৰতিক চুটিগল্পৰ উল্লেখযোগ্য বৈশিষ্ট্য। আৰু এই বৈশিষ্ট্যৰ অন্তৰালতো ক্ৰিয়া কৰিছে *ৰামধেনু*ৰ গল্পকাৰসকলে আৰম্ভ কৰি থৈ যোৱা চৰিত্ৰৰ মনৰ গভীৰতা বিচাৰ বিশ্লেষণৰ প্ৰক্ৰিয়া।

*ৰামধেনু*ৰ গল্পকাৰসকলে *আৱাহন*ৰ চুটিগল্পৰ ৰোমান্টিক ভাৱবিলাসিতা বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিলে আৰু এই সময়খিনিতে অসমীয়া চুটিগল্পত বাস্তৱবাদ প্ৰতিষ্ঠিত হৈ পৰিল। *ৰামধেনু*ৰ এই বাস্তৱবাদী আদৰ্শক পৰৱৰ্তী গল্পকাৰসকলেও আৰ্হি হিচাপে ল'লে। ফলস্বৰূপে সাম্প্ৰতিক যুগৰ চুটিগল্পতৰোমান্টিক ভাবোচ্ছাসক সম্পূৰ্ণৰূপে বৰ্জন কৰা হ'ল আৰু কঠিন বাস্তববাদৰ প্ৰেক্ষাপটত অসমীয়া চুটিগল্পৰ উত্তৰণ ঘটিল। এই প্ৰসংগত প্ৰহ্লাদ কুমাৰ বৰুৱাৰ এই মন্তব্য উল্লেখযোগ্য— "কঠিন বাস্তৱক গল্পৰ মাজেদি অধিক বিশাল ৰূপত প্ৰকাশ কৰাৰ ক্ষোত্ৰত পূৰ্বৰ ৰামধেনু যুগক চেৰাই যাব পৰা নাই যদিও সাম্প্ৰতিক যুগৰ চুটিগল্প এই দিশত যথেষ্ট সফলো হৈছে।"[৫২৭]

সমাজ চেতনাৰ দৰে প্ৰগতিবাদী চিন্তাধাৰাৰ ক্ষেত্ৰতো অসমীয়া চুটিগল্পৰ স্তৰকেইটাত বিবৰ্তন দেখা যায়। জোনাকী আৰু আৱাহন যুগৰ প্ৰগতিবাদী চিন্তা-ধাৰাই নাৰীমুক্তি, বিধবা বিবাহ, অসামাজিক কুসংস্কাৰ, অন্ধবিশ্বাস, ৰক্ষণশীলতা, গোড়ামি আদিৰ দূৰীকৰণত গুৰুত্ব দিছিল। কিন্তু *ৰামধেনু*ৰ গল্প প্ৰগতিবাদী চিন্তাধাৰা অধিক গভীৰতা আৰু বিশালতাৰে পৰিপুষ্ট হৈ উঠিল। *ৰামধেনু*ৰ গল্পই প্ৰতিষ্ঠা কৰি থৈ যোৱা প্ৰগতিবাদী সাহিত্যৰ শক্তিশালী ধাৰাটো আগতকৈও আঁটিলভাৱে নতুন ৰূপত বিকশিত হ'ল *ৰামধেনু*ৰ পৰৱৰ্তী যুগৰ গল্পত। দেৱব্ৰত দাস, মনোজ কুমাৰ গোস্বামী, অভিজিত শৰ্মা বৰুৱা আদি লেখকসকলৰ গল্পত প্ৰগতিবাদ পূৰ্ঠ হৈ পৰিছে। "মাৰ্ক্সৰ তত্ত্বকথাৰ আশ্ৰয় নোলোৱাকৈ আৰু অসমীয়া জাতিসত্তাৰ প্ৰতি

৫২৬। সত্যেন্দ্ৰনাথ শৰ্মা – *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃঃ ৪৬৬

৫২৭। প্ৰহ্লাদ কুমাৰ বৰুৱা - *অসমীয়া চুটিগল্পৰ অধ্যয়ন* পৃঃ ৬১৫

আনুগত্য অনুভৱ কৰিও যে প্ৰগতিবাদী সাহিত্য সৃষ্টি কৰিব পাৰি, এই সত্যটো সাম্প্ৰতিক যুগৰ উল্লেখিত গল্পকাৰসকলে প্ৰমাণ কৰি দেখুৱালে—সংক্ষেপে কবলৈ গলে জাতীয়বাদী ভাৱধাৰা পোষণ কৰিও যে প্ৰগতিবাদী সাহিত্য সৃষ্টি কৰিব পাৰি; এই সত্যটো প্ৰতিষ্ঠা কৰাৰ দিশত সাম্প্ৰতিক যুগৰ চুটিগল্পকাৰসকলৰ কৃতিত্ব অনস্বীকাৰ্য।"[৫২৮]

তাহানিৰ পৰাই মানুহৰ মন গহনত প্ৰবেশ কৰি মানুহৰ মৌলিক প্ৰবৃত্তিৰ ৰহস্যময়তা আৰু সত্যৰ অনুসন্ধান কৰাৰ প্ৰচেষ্টা অসমীয়া চুটিগল্পত চলি আহিছে। অসমীয়া চুটিগল্পৰ আৰম্ভণি স্তৰৰে গল্প 'পাতমুগী'ৰ পৰা আৰম্ভ কৰি *আৱাহন, ৰামধেনু*ৰ দিনতো নৰ-নাৰীৰ জৈৱিক আকৰ্ষণৰ ওপৰত গুৰুত্ব দি মৌলিক প্ৰবৃত্তিসমূহৰ বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। সমাজ পৰিবৰ্তনৰ লগে লগে *ৰামধেনু*ৰ পৰৱৰ্তী গল্পৰ ধাৰাটোত নৰ-নাৰীৰ জৈৱিক আকৰ্ষণ সম্পৰ্কীয় বিষয়টোৱে পূৰ্বৰ গুৰুত্ব কিছু পৰিমাণে হেৰুৱাই পেলাইছে যেন অনুমান হয় যদিও মনঃ সমীক্ষাত্মক দৃষ্টিৰে জীৱনৰ সত্যানুন্ধান আজিও অব্যাহত আছে। সাম্প্ৰতিক কালৰ গল্পত এই সত্যানুসন্ধানক অতি সফলতাৰে অংকন কৰা কেইগৰাকীমান লেখক লেখিকা হৈছে- স্যামন্ত ফুকন, জ্যোতিষ শিকদাৰ, ফুল গোস্বামী, অৰূপা পটংগীয়া কলিতা ইত্যাদি। ফ্ৰয়দীয় দৰ্শনৰ অন্যতম দিশ যৌনতত্বৰ প্ৰভাৱ এই ধাৰাৰ গল্পত বৰকৈ নাই যদিও নিসংগ চেতনাৰ প্ৰভাৱ বিশেষভাবে অনুভূত হয়। নিসংগ চেতনাৰে জীৱনক উপলব্ধি কৰা *ৰামধেনু*ৰ গল্পকাৰ সৌৰভ চলিহা, নগেন শইকীয়া আদিৰ নাম উল্লেখযোগ্য। এইখিনিতে এষাৰ কথা মন কৰিবলগীয়া যে "এইসকল লেখকৰ গল্পত মানুহৰ নিঃসংগ চেতনাৰ ব্যাখ্যা যিমান হ'ল নিঃসংগ চেতনাৰ উপলব্ধি সিমান গভীৰ নহ'ল।......... এইসকল লেখকৰ গল্পত জীৱনৰ বিচ্ছিন্নতা, আৰু জীৱনৰ নিঃসংগ চেতনাৰ বিষয়ে ধাৰণা এটা স্পষ্ট হৈ উঠিছে, কিন্তু জীৱনৰ বিচ্ছিন্ন চেতনা আৰু নিঃসংগ চেতনাজনিত গভীৰ দুখবোধৰ উপলব্ধি নহয়।"[৫২৯] ৰামধেনুৰ পৰৱৰ্তী যুগৰ গল্পকাৰসকলৰ কিছু সংখ্যকৰ গল্পত নিঃসংগ চেতনাই জীৱনৰ উপলব্ধিত সহায় কৰি নিঃসংগতাজনিত গভীৰ দুখবোধকো উপলব্ধি কৰাব পাৰিছে। গল্পকাৰ মিনতি চৌধুৰীৰ 'বাঁহীৰ সুৰ'[৫৩০] এই পৰ্যায়ৰ এটা সাৰ্থক গল্প।

---

৫২৮। প্ৰহ্লাদ কুমাৰ বৰুৱা - *অসমীয়া চুটিগল্পৰ অধ্যয়ন* পৃঃ ৬১৬

৫২৯। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬১৭

৫৩০। মিনতি চৌধুৰী – 'বাঁহীৰ সুৰ', *বাঁহীৰ মাত*

মধ্যবিত্ত জীৱনৰ দ্বন্দ্ব, সংঘাত আৰু সমস্যা *ৰামধেনু*ৰ যথেষ্ট সংখ্যক গল্পৰ কেন্দ্ৰীয় বিষয়বস্তুৰূপে পৰিগণিত হৈছিল। মধ্যবিত্ত জীৱনক লৈ ভালেমান সাৰ্থক গল্প এই সময়ছোৱাত লিখা হৈছিল। এই পৰম্পৰা *ৰামধেনু*ৰ পৰৱৰ্তী যুগতো অব্যাহত থাকিল। সাম্প্ৰতিক কালৰ অসমীয়া গল্পত মধ্যবিত্তীয় জীৱনৰ ওপৰত ৰেখাপাত কৰি বিচাৰ-বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। "মধ্যবিত্ত আৰু নিম্নবিত্তৰ জীৱন ধাৰাৰ প্ৰতি এফালে সহৃদয়তা আৰু আনফালে সমাজতাত্ত্বিক বিশ্লেষণিক দৃষ্টিৰে নিৰীক্ষণ কৰাৰ বাবেই সাম্প্ৰতিক কালৰ চুটিগল্পত জীৱনৰ প্ৰতি নিৰপেক্ষ দৃষ্টিভংগী এটা প্ৰকাশ পাইছে। এনে কাৰণতে বহু লেখকৰ গল্পত জীৱনক গভীৰ ভাৱে উপলব্ধি কৰা হৈছে। আৰু এনে উপলব্ধিৰ বাবেই সাম্প্ৰতিক কালৰ মনোজ কুমাৰ গোস্বামী, বিকিৰণ বৰদলৈ আদি বহু গল্পকাৰৰ গল্পত গভীৰ দুখবোধ এটা অনুভূত হয়।"[৫৩১]

*ৰামধেনু*ৰ অৱসানৰ পিছত অসমত দেখা দিয়া উগ্ৰপন্থী-সন্ত্ৰাসবাদৰ সমস্যা আৰু ক্ৰমে জটিলতৰ ৰূপ ধাৰণ কৰা নিবনুৱা সমস্যাৰ পটভূমিত সাম্প্ৰতিক কালৰ গল্পকাৰসকলে সফল গল্পৰ ৰচনা কৰিছে। এই সফলতাৰ অন্তৰালত আছে লেখকসকলৰ গভীৰ সমাজতাত্ত্বিক দৃষ্টিভংগী আৰু জীৱনক গভীৰ মানৱীয় অনুভূতিৰে উপলব্ধি কৰিবলৈ কৰা প্ৰচেষ্টা।

*ৰামধেনু*ৰ যুগ আছিল অনুসন্ধানৰ যুগ-সেই অনুসন্ধান আছিল- আংগিকৰ, চুটিগল্পৰ কলা-কৌশলৰ, বিভিন্ন দৰ্শন-মতবাদৰ। *আৱাহনে* দেখুৱাই থৈ যোৱা বাটেৰে আগবাঢ়ি *ৰামধেনু*ৰ গল্পকাৰসকলে তেওঁলোকৰ গল্পত ফ্ৰয়েদীয় দৰ্শন, মাৰ্ক্সীয় দৰ্শন, অৱস্থিতিবাদ, চেতনাস্ৰোত আৰু সাহিত্যৰ অনেক মতবাদৰ প্ৰয়োগ কৰিছিল। কেতিয়াবা এই প্ৰয়োগত তেওঁলোকে সম্পূৰ্ণ সফলতা লাভ কৰিছিল আৰু কেতিয়াবা আংশিক ভাৱেহে সফল হোৱা যেন অনুমান হয়। এই প্ৰসংগত প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য উল্লেখযোগ্য- "সংক্ষেপে ক'বলৈ গ'লে পূৰ্বৰ অসমীয়া চুটিগল্পত পাশ্চাত্য সাহিত্যৰ মতবাদবোৰৰ বহু পৰিমানে মিশ্ৰণহে ঘটিছিল দ্ৰৱণ ঘটা নাছিল। কিন্তু পূৰ্বসুৰী অসমীয়া চুটিগল্পই গঢ়ি তোলা সাৰুৱা পটভূমি আৰু সমকালৰ কঠিন বাস্তৱৰ পৰা আহৰণ কৰা অভিজ্ঞতাৰে সাম্প্ৰতিক যুগৰ গল্পকাৰ সকলে জীৱন নিৰীক্ষণ কৰা বাবে সাম্প্ৰতিক কালৰ চুটিগল্পত পাশ্চাত্য সাহিত্যৰ মতাদৰ্শবোৰৰ দ্ৰৱণ ঘটাৰ দৰে হ'ল।"[৫৩২] অন্য এক মতাদৰ্শ বৈজ্ঞানিক যুক্তিবাদৰ প্ৰয়োগো অসমীয়া চুটিগল্পত দেখা যায়। *আৱাহন*ৰ জনক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ

---

৫৩১। প্ৰহ্লাদ কুমাৰ বৰুৱা - *অসমীয়া চুটিগল্পৰ অধ্যয়ন* পৃঃ ৬১৮

৫৩২।পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬২১

বিখ্যাত গল্প 'ৰসায়ণ'ত পোন প্ৰথমবাৰৰ বাবে বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰয়োগ ঘটিছিল। তাৰপাছত *ৰামধেনুৰ* দিনত নিজৰ নিজৰ গল্পত বৈজ্ঞানিক যুক্তিবাদৰ প্ৰয়োগ ঘটাই সৌৰভ কুমাৰ চলিহা, নগেন শইকীয়া, ভবেন্দ্ৰ নাথ শইকীয়া আদি গল্পকাৰে বিজ্ঞানৰ তত্ত্বকথাৰ দ্বাৰা জীৱনৰ সত্যানুসন্ধান কৰিবলৈ প্ৰয়াস কৰিছে। অসমীয়া চুটিগল্পত এনে বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰম্পৰা *ৰামধেনুৰ* পৰবৰ্তী যুগতো নিৰৱচ্ছিন্ন ভাৱে চলি থাকিল। বৈজ্ঞানিক যুক্তিবাদেৰে জীৱনৰ সত্যৰ অনুসন্ধান কৰা সাম্প্ৰতিক দুজনমান গল্পকাৰ হৈছে অৰ্পণ শইকীয়া, অভিজিৎ শৰ্মা বৰুৱা আদি। নিঃসন্দেহে এই বৈজ্ঞানিক দৃষ্টিভংগীয়ে অসমীয়া চুটিগল্পক বাস্তৱবাদ আৰু আধুনিকতাৰে সমৃদ্ধিশালী তোলাত বিশেষ ভূমিকা পালন কৰিছে।

সাম্প্ৰতিক মানুহৰ জীৱন তেনেই অনিশ্চয়তাত ভুগিছে। অতীতৰ পৰিচিত আশ্ৰয় হেৰাই যোৱা আৰু ভৱিষ্যৎ সম্পৰ্কেও কোনো স্পষ্ট ধাৰণা নথকা ক্ৰমাৎ জটিল হৈ অহা মানুহৰ জীৱন আজি ক্লান্ত, জৰ্জৰিত আৰু অৱসন্ন। এনে পৰিস্থিতিৰ চিত্ৰ সফলতাৰে গল্পত চিত্ৰিত কৰাতো সহজসাধ্য কথা নহয়। তাকো গল্পত কেৱল চৰিত্ৰ আৰু ঘটনাৰ ছবি থাকিলেই নহ'ব। সেই ছৱিবোৰ হ'ব লাগিব বৰ্ণময় ৰূপময় আৰু বাংময় । অসমীয়া চুটিগল্পৰ প্ৰত্যেকটো যুগৰ বৰ্ণময়, ৰূপময় আৰু বাংময় চিত্ৰ প্ৰকাশ কৰাত সেই নিৰ্দিষ্ট যুগৰ গল্পকাৰসকল যিদৰে সফল হৈছিল-তেনেদৰে সাম্প্ৰতিক যুগৰ জটিল ছৱিখন সফলতাৰে অংকন কৰাত *ৰামধেনুৰ* পৰবৰ্তী ধাৰাৰ লেখকসকলেও নিজৰ দক্ষতাৰ প্ৰমাণ দিছে।

# উপসংহাৰ

অসমীয়া চুটিগল্পৰ এই পৰ্যালোচনাত আমি দেখিবলৈ পালো যে আলোচনী আশ্ৰয়ী অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখনত *ৰামধেনু*ৱে নিজৰ এটা সুকীয়া পৰিচয় স্থায়ীৰূপত ৰাখি গৈছে। *জোনাকী* আৰু *আৱাহন*ৰ দৰে *ৰামধেনু*ৱেও পৰৱৰ্তী সময়লৈ আদৰ্শ আৰু আৰ্হিৰ সৃষ্টি কৰি যোৱাৰ লগতে এই সময়ছোৱাৰ লেখক-লেখিকাক অনুপ্ৰাণিত কৰি থৈও গ'ল।

*ৰামধেনু*ৰ সমাপ্তিয়ে অসমীয়া গল্প সাহিত্যৰ পৃথিৱীত এক প্ৰকাৰ অচল অৱস্থাৰ সৃষ্টি কৰিলে। লেখকসকলৰ যথাযোগ্য প্ৰকাশৰ পথ অৱৰুদ্ধ হৈ পৰিল। *ৰামধেনু*ৰ পিছত *মণিদীপ*, *নৱযুগ* আদি আলোচনীৰ জন্ম হ'ল যদিও এইবোৰে *ৰামধেনু*ৰ ভূমিকা পালন কৰিব নোৱাৰিলে। এই সমূহ আলোচনীয়ে দীৰ্ঘস্থায়িত্বও লাভ কৰিব নোৱাৰিলে। "আলোচনী এখনৰ নিৰৱচ্ছিন্ন প্ৰকাশে এটা বলিষ্ঠ লেখকগোষ্ঠীক প্ৰকাশনৰ সুবিধা দিয়াৰ উপৰিও এটা বিশালতৰ পাঠক গোষ্ঠীও সৃষ্টি কৰে। সপ্তম দশকৰ পৰা লেখকসকল এটা সুস্থিৰ অডিয়েন্সৰ উপস্থিতিৰ পৰা বঞ্চিত হ'ল।"[৫৩৩]

*ৰামধেনু*ৰ অন্তৰ্দ্ধানৰ লগে লগে অসমীয়া গল্প সাহিত্যৰ ৰামধেনু যুগৰো পৰিসমাপ্তি ঘটিল। পৰৱৰ্তী সময়ত পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ খুৱাই *ৰামধেনু*ৰ লেখকসকলে নিজৰ নিজৰ স্থিতি সবল কৰি তুলিলে আৰু এই নতুন যুগতো তেওঁলোকে নিজৰ প্ৰতিষ্ঠা নেহেৰুৱালে। অৱশ্যে এইষাৰ কথাও সত্য যে এই লেখকসকলৰ উৎকৃষ্ট সৃষ্টিসমূহ *ৰামধেনু*ৰ পাততেই লিপিবদ্ধ হৈ থাকিল। তেনেদৰেই পৰৱৰ্তী যুগত প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰা শক্তিশালী সফল গল্পকাৰ কিছু সংখ্যকৰ আত্মপ্ৰকাশ এই *ৰামধেনু*ৰ বুকুতেই হৈছিল। তেওঁলোক হ'ল শীলভদ্ৰ, মামণি ৰয়ছম গোস্বামী, অপূৰ্ব শৰ্মা, ইমৰাণ শ্বাহ, নগেন শইকীয়া আদি পিছৰকালৰ স্বনামধন্য গল্পকাৰসকল।

*ৰামধেনু*ৰ সময়ত ক্ৰমশঃ বৃদ্ধি পাবলৈ লোৱা নগৰীয়া জীৱনৰ প্ৰতি মোহ ভালেমান গল্পকাৰৰ গল্পত কেন্দ্ৰীয়ভাৱ হিচাপে স্থান পাইছিল যদিও *ৰামধেনু*ৰ চুটিগল্প গাঁৱলীয়া সমাজখনক কেন্দ্ৰ কৰিয়েই প্ৰধানতঃ আৱৰ্তিত হৈছিল। এই ধৰণৰ বিষয়বস্তুৰ গল্প অৱশ্যে পৰৱৰ্তী যুগত কমি আহিবলৈ ধৰে। *ৰামধেনু*ৰ গল্পত প্ৰতিফলিত হোৱা অসমৰ গ্ৰামীনসমাজ আৰু তাৰ সৈতে জড়িত সংঘাত, সমস্যা আদি ক্ৰমে নাইকিয়া হৈ আহিল। নতুন যুগৰ পৰিৱৰ্তিত বিষয়বস্তুৰ সৈতে খাপ খুৱাবলৈ গৈ অসমীয়া

৫৩৩।উপেন্দ্ৰ নাথ শৰ্মা – 'যোৱা পঁচিশ বছৰৰ অসমীয়া চুটিগল্প', *প্ৰকাশ*, ৰূপালী জয়ন্তী সংখ্যা, ১৯৮৪

চুটিগল্প অধিক বাস্তৱবাদী হৈ পৰিল। হোমেন বৰগোহাঞিয়ে এই যুগটোক 'মোহভংগৰ যুগ'[৫৩৪] বুলি আভিহিত কৰিছে।

*ৰামধেনু*ৰ গল্পৰ বিষয়ে কৰা এই পৰ্যালোচনাত ইতিমধ্যে *ৰামধেনু*ৰ গল্পৰ বৈশিষ্ট্য, সেই সময়ৰ গল্পকাৰসকল – এই সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। ৰামধেনু যুগৰ গল্পলেখক সকলৰ প্ৰধান অৱদান নতুন আংগিকৰ অনুসন্ধানেৰে বাস্তৱানুগ জীৱন ধাৰাৰ ৰূপায়ন। তেখেতসকলৰ গল্পসমূহত প্ৰকাশ পোৱা গাঁৱৰ অথবা চহৰীয়া অঞ্চলৰ কলাসন্মত আৰু নিটোল বৰ্ণনাই গল্পবোৰক এক বিশেষ সজীৱতা প্ৰদান কৰিলে। বিভিন্ন দৰ্শন, ভাৱধাৰা আৰু আংগিকৰ পৰীক্ষা- নিৰীক্ষাই *ৰামধেনু*ৰ গল্পকাৰসকলৰ গল্পক বৈচিত্ৰ্যময় কৰি তুলিলে। সমাজবাদ, অস্তিত্ববাদ, চেতনাস্ৰোত পদ্ধতি, মনস্তত্ববাদ আদি ভাৱধাৰাই এই *ৰামধেনু*ৰ পাততেই প্ৰতিষ্ঠা লাভ কৰি অসমীয়া চুটিগল্পৰ পৰিসৰ বিস্তৃত কৰি তুলিলে। সমকালীন জীৱনৰ ব্যক্তিৰ দ্বন্দ্ব আৰু এক উদাৰ মানৱতাবাদী দৃষ্টিভংগী *ৰামধেনু*ৰ গল্পত বিশেষভাৱে পৰিলক্ষিত হ'বলৈ ল'লে। সেই সময়ৰ সমাজৰ, ব্যক্তি জীৱনৰ বিভিন্ন বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাই ৰামধেনু যুগৰ গল্পলেখকসকলক উদাৰতা আৰু প্ৰাণোচ্ছলতা প্ৰদান কৰিছিল।

*ৰামধেনু*ত প্ৰকাশিত গল্পসমূহৰ জৰিয়তে অসমীয়া সাহিত্যৰ তদানীন্তন সময়ৰ গৌৰৱময় ঐতিহ্য প্ৰকাশিত হৈছিল। অসমীয়া গল্প সাহিত্যৰ প্ৰেক্ষাপটলৈ চকু ফুৰালে দেখা যায় ইয়াৰ জনক লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী*ৰ পাততে আৰম্ভ কৰা অসমীয়া চুটিগল্পই বিভিন্ন আলোচনীৰ মাজেৰে অগ্ৰসৰ হৈ *ৰামধেনু* আলোচনীতে পৰিপূৰ্ণতা লাভ কৰে। বিশ্ব সাহিত্য আৰু ভাৰতীয় সাহিত্যৰ লগত সংগতি ৰাখি *ৰামধেনু*ৰ গল্পকাৰ সকলে নিজকে নিয়োজিত কৰিলে বাস্তৱৰ গভীৰ অন্বেষণৰ অন্তহীন অভিযানত। এইয়া আছিল অসমীয়া সাহিত্যক আন্তৰ্জাতিক ভাৱজগতৰ সৈতে সংযুক্ত কৰাৰ এক আশাশুধীয়া প্ৰচেষ্টা। পাশ্চাত্যৰ অৱদান অসমীয়া চুটিগল্পই এই ৰামধেনু যুগতে ৰোমান্টিকতা আৰু বাস্তৱবোধৰ সমন্বয়ৰ স্বাক্ষৰ স্বৰূপে বিশ্ব সাহিত্যৰ সমানে সমানে আধুনিক হ'বলৈ ধৰে। সেই সময়ৰ যুগসচেতনতায়ো লেখকসকলক তেখেতসকলৰ সৃষ্টিক বৈচিত্ৰ্যময় কৰিব পৰাকৈ পৰিবেশৰ যোগান ধৰিলে। *ৰামধেনু*ৰ সেই অম্লান প্ৰাচুৰ্যৰ বাবেই তিনিটা দশকৰ পিছতো *ৰামধেনু* আৰু ইয়াৰ যুগ অপ্ৰতিদ্বন্দ্বী। আধুনিক অসমীয়া সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত এক ঐতিহাসিক ভূমিকাত অৱতীৰ্ণ হোৱা *ৰামধেনু* আলোচনীৰ সময়সীমা সাহিত্যৰ ইতিহাসত সেয়ে সাৰ্থকভাৱে ৰামধেনু যুগ বুলি চিহ্নিত হৈছে।

—

৫৩৪। হোমেন বৰগোহাঞি – 'পাতনি' *অসমীয়া গল্পসংকলন*, ২য় খণ্ড

# সহায়ক গ্ৰন্থপঞ্জী


১। অতুল চন্দ্ৰ হাজৰিকা (মুখ্য সম্পাদক) ঃ *বেজবৰুৱা গ্ৰন্থাৱলী*, সাহিত্য প্ৰকাশ, গুৱাহাটী , ১ম প্ৰকাশ, ১৯৬৮ চন।

২। অৰূপা বৰুৱা (সম্পাদক) ঃ *প্ৰজ্ঞাৱতী প্ৰবীণা*, অসম লেখিকা সন্থা, কেমব্ৰিজ ইণ্ডিয়া, প্ৰথম প্ৰকাশ ১৯৯৯ চন।

৩। আনন্দ বৰমূদৈ ঃ *সাহিত্যত মতবাদ,* অসম সাহিত্য সভা, ১ম প্ৰকাশ, ২০০১ চন।

৪। উপেন্দ্ৰ নাথ শৰ্মা ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য*, বৰুৱা এজেঞ্চি, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৯৩ চন।

৫। গোবিন্দ প্ৰসাদ শৰ্মা ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস,* ষ্টুডেণ্টচ্ ষ্ট'ৰচ ১৯৯৫ চন।

৬। চন্দ্ৰপ্ৰসাদ শইকীয়া (মুখ্য সম্পাদক) ঃ *অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস* জয়ন্তী উদ্‌যাপন সমিতি, প্ৰকাশক প্ৰফুল্ল চন্দ্ৰ বৰুৱা, ১ম প্ৰকাশ, মাৰ্চ ,১৯৮৮ চন।

৭। তোষেশ্বৰ চেতিয়া (সম্পাদক) ঃ *প্ৰগতিশীল সাহিত্য সমীক্ষা*, নতুন সাহিত্য পৰিষদ, ১ম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৮৮ চন।

৮। তফজ্জুল আলি (সম্পাদক ) ঃ *মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য* , ১৯৭৬ চন।

৯। ত্ৰৈলোক্যনাথ গোস্বামী ঃ *আধুনিক গল্প সাহিত্য*, তৃতীয় প্ৰকাশ, ১৯৮৭ চন, ৰাণী প্ৰকাশঃ বৰপেটা।

১০। নাৰায়ণ দাস,পৰমানন্দ ৰাজবংশী (সম্পাদকদ্বয়) ঃ *অসমীয়া সাহিত্যত পাশ্চত্যৰ প্ৰভাৱ,* গুৱাহাটী ১৯৯৪ চন।

১১। নৰেন কলিতা (সম্পাদক) ঃ *সাহিত্য তত্ব, অসম সাহিত্য সভা,* ১ম প্ৰকাশ ১৯৮৮ চন।

১২। নগেন শইকীয়া (সম্পাদক) ঃ *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, অসম সাহিত্য সভা, ১ম প্ৰকাশ ১৯৭৭ চন।

১৩। নগেন শইকীয়া (সম্পাদক) ঃ *সাহিত্যত বাদ বৈচিত্ৰ্য,* অসম সাহিত্য সভা, ১ম প্ৰকাশ ১৯৮৭ চন।

১৪। নগেন শইকীয়া ঃ *গৱেষণা পদ্ধতি পৰিচয়,* বনলতা, ১৯৯৬ চন।

১৫। নাহেন্দ্ৰ পাদুন (সম্পাদক) ঃ *শিৱসাগৰ কলেজ সোণালী জয়ন্তী* উদ্ যাপন সমিতি, ১ম প্ৰকাশ ১৯৯৪ চন।

১৬। নমিতা ডেকা (সম্পাদক) ঃ *হোমেন বৰগোহাঞিৰ সন্ধানত,* ষ্টুডেণ্টচ্ ষ্ট'ৰচ ১৯৯৮ চন।

১৭। পঙ্কজ ঠাকুৰ, (সম্পাদক) : *শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প,* সাহিত্য একাডেমি, নতুন দিল্লী, ১৯৯২ চন।

১৮। পৰীক্ষিত হাজৰিকা : অসমীয়া সাহিত্যৰ সুবাস, চন্দ্ৰ প্ৰকাশ, টিহু ১৯৯৮ চন।

১৯। পৰন কুমাৰ বৰুৱা (সম্পাদক) : *কথা সাহিত্যিক যোগেশ দাস*, যোগেশ দাস স্মৃতি ৰক্ষা সমিতি, ২০০০ চন ।

২০। পৰাগ কুমাৰ ভট্টাচাৰ্য : *ৰবীন্দ্ৰনাথ আৰু অসমীয়া চুটিগল্প*, বনলতা, ১৯৯৪ চন।

২১। পৰমানন্দ ৰাজবংশী (সম্পাদক) : *অসমীয়া সাহিত্য সভা পত্ৰিকা*, অসমীয়া চুটিগল্পৰ বিশেষ সংখ্যা, অসম সাহিত্য সভা ১৯৯৯ চন ।

২২। প্ৰবীণা শইকীয়া : *ৰচনা সম্ভাৰ,* ১ম খণ্ড, বাণী মন্দিৰ, ১ম প্ৰকাশ ২০০২ চন ।

২৩। প্ৰফুল্ল চন্দ্ৰ বৰা : *অসমীয়া সাহিত্য ঃ আধুনিক যুগ,* ষ্টুডেণ্টচ্ ষ্টৰচ, গুৱাহাটী, ১ম প্ৰকাশ ১৯৯৫ চন ।

২৪। প্ৰহ্লাদ কুমাৰ বৰুৱা : *অসমীয়া চুটি গল্পৰ অধ্যয়ন,* বনলতা, গুৱাহাটী, ১ম প্ৰকাশঃ নৱেম্বৰ, ১৯৯৫ চন।

২৫। বীৰেন বৰকটকী : *পাশ্চাত্য সাহিত্যত এভুমুকি,* হিমাচল প্ৰকাশ, ১ম প্ৰকাশ ১৯৭১ চন ।

২৬। বীৰেন বৰকটকী : *সাহিত্যৰ পটভুমি,* অসম বুক ডিপো, পাণবজাৰ, ৬ষ্ঠ প্ৰকাশ ১৯৯৬ চন ।

২৭। বীৰেশ্বৰ বৰুৱা : *ৰামধেনু যুগ আৰু পৰবৰ্তী কাল,* প্ৰকাশিকা ঃ প্ৰতিভা ৰায়চৌধুৰী, ধুবুৰী ১৯৮৬ চন ।

২৮। মহেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* চন্দ্ৰ প্ৰকাশ, ১ম প্ৰকাশ ১৯৬২ চন ।

২৯। মহেন্দ্ৰ বৰা : *সাহিত্য উপক্ৰমণিকা* , ষ্টুডেণ্টচ্ ষ্ট'ৰচ, ডেৰগাওঁ, ৩য় প্ৰকাশ ১৯৯০ চন।

৩০। মহিম বৰা : *চিন্তা বিচিত্ৰা,* অসম প্ৰকাশন পৰিষদ, ১ম প্ৰকাশ ১৯৭৫ চন ।

৩১। যমুনা শৰ্মা চৌধুৰী : *চুটিগল্প*, ময়ূৰ প্ৰকাশ, গুৱাহাটী, ২য় প্ৰকাশ ১৯৯৫ চন ।

৩২। যতীন্দ্ৰ নাথ গোস্বামী (সম্পাদক) : *নকুল চন্দ্ৰ ভূঞা ৰচনা সমগ্ৰ,* লয়াৰ্ছ বুক ষ্টল, ১ম প্ৰকাশ ১৯৯৬ চন ।

৩৩। যতীন্দ্ৰ নাথ গোস্বামী (সম্পাদক) : *শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী,* অসম সাহিত্য সভা, ১৯৮৭ চন

৩৪। ৰাণী গোহাঁই (সম্পাদক) : *হৃদয়ৰ তপস্বিনী*, জ্যোতি প্ৰকাশন, ১৯৯৯ চন ।

৩৫। ৰাণী গোহাঁই (সম্পাদক) : *অগ্ৰগামিনী ঃ নিৰুপমা বৰগোহাঞিৰ জীৱন আৰু সাহিত্য,* জ্যোতি প্ৰকাশন, ১৯৯৮ চন ।

৩৬। লীলা গগৈ : *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়,* ষ্টুডেণ্টছ এম্প'ৰিয়াম, ডিব্ৰুগড়, ২য় প্ৰকাশ ১৯৯৪ চন।

৩৭। শৈলেন ভৰালী (সম্পাদক) : *অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি,* গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৯ চন ।

৩৮। শোভন চন্দ্ৰ শইকীয়া (সম্পাদক) : *নগেন শইকীয়া ঃ ব্যক্তি আৰু ব্যক্তিত্ব,* গোলাঘাট জিলা সাহিত্য সভা, ষ্টুডেণ্টছ ষ্ট'ৰচ, ১ম প্ৰকাশ ১৯৯৭ চন ।

৩৯। শশী শৰ্মা : *সাহিত্যত আধুনিকতা,* জাৰ্ণল এম্প'ৰিয়াম, ১ম প্ৰকাশ ২০০১ চন ।

৪০। শোণিত বিজয় দাস (সম্পাদক)) মিহিৰ দেউৰী (সম্পাদক) : *চন্দ্ৰ প্ৰসাদ,* সবিনয় প্ৰকাশন, ১ম প্ৰকাশ ১৯৯৯ চন ।

৪১। সত্যেন্দ্ৰ নাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰিণ্টিং গুৱাহাটী, ৩য় প্ৰকাশ ১৯৮৬ চন ।

৪২। সমীন কলিতা : *শতাধিক অসমীয়া সাহিত্যিক,* ষ্টুডেণ্টচ্ ষ্ট'ৰচ, ১ম প্ৰকাশ ২০০১ চন ।

৪৩। হোমেন বৰগোহাঞি (সম্পাদক) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ৬ষ্ঠ খণ্ড, আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সন্হা, ১৯৯৩চন ।

৪৪। হোমেন বৰগোহাঞি (সম্পাদক) : *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য* ,অসম সাহিত্য সভা, ১৯৭৬ চন ।

৪৫। হীৰেন গোহাঁই : *মানবতাৰ সন্ধানত*, জ্যোতি প্ৰকাশন, ১ম প্ৰকাশ ২০০১ চন ।

৪৬। হেম বৰা : *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান,* শতাব্দী প্ৰকাশন, গোলাঘাট, ১ম প্ৰকাশ ১৯৯৪ চন ।

৪৭। হৃদয়ানন্দ গগৈ : *ৰামধেনুৰ ৰং আকাশ আৰু নক্ষত্ৰ,* পূবেৰুণ প্ৰকাশ, ২০০১ চন ।

৪৮। হেম শৰ্মা (অনূদিত) : *মাৰ্ক্সবাদী লেনিনবাদী তত্বৰ মূলকথা,* প্ৰগতি প্ৰকাশন, ১৯৮৬ চন ।

## গল্প সংকলন


১। অণিমা ভঁৰালী : *বেলি ফুলৰ সপোন*, লয়াৰ্ছ বুক ষ্টল ১৯৬৩চন ।

২। অপূৰ্ব শৰ্মা : *বাঘে টাপুৰ ৰাতি*, ষ্টুডেণ্টচ্‌ ষ্ট'ৰচ, ১৯৯৬ চন ।

৩। ইমৰান শ্বাহ অৰুণ গোস্বামী (সম্পা.) : *কালান্তৰৰ কথকতা*, শ্ৰীভূমি পাবলিচিং কোম্পানী, ১৮৯৯ শক ।

৪। কুমুদ গোস্বামী ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য : *কুৰিশতিকাৰ অসমীয়া ব্যংগ গল্প সংকলন*, ময়ূৰ প্ৰকাশ ১৯৮৩চন ।

৫। গিৰিধৰ শৰ্মা (সম্পা.) হেমন্ত কুমাৰ শৰ্মা (সম্পা.) : *চুটিগল্প সংকলন*, প্ৰকাশক কৃপেশ চন্দ্ৰ ভট্টাচাৰ্য, ১৯৫৯ চন

৬। গোবিন্দ প্ৰসাদ শৰ্মা : *ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান আৰু অন্যান্য গল্প*, ষ্টুডেণ্টচ্‌ ষ্ট'ৰচ, ১৯৯৩ চন ।

৭। চন্দ্ৰ প্ৰসাদ শইকীয়া : *চন্দ্ৰ প্ৰসাদ শইকীয়াৰ নিৰ্বাচিত গল্প*, বাণী মন্দিৰ ১৯৯৯চন।

৮। চন্দ্ৰ প্ৰসাদ শইকীয়া : *নাচপতি ফুল*, উদয়ন, ১৯৭৪ চন ।

৯। চন্দ্ৰ প্ৰসাদ শইকীয়া : *অংগীকাৰ*, বাণী প্ৰকাশ, ১৯৮৩চন ।

১০। চৈয়দ আব্দুল মালিক : *হাঁহি আৰু চকুলোৰ*, ষ্টুডেণ্টচ্‌ ষ্ট'ৰচ, ২০০১চন ।

১১। চৈয়দ আব্দুল মালিক : *এজনী নতুন ছোৱালী*, পৰশমণি, ১৯৫৩চন ।

১২। তীৰ্থ ফুকন ((সম্পা.) : *অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা*, নতুন অসম, ১৯৯১চন ।

১৩। ত্ৰৈলোক্য নাথ গোস্বামী : *আধুনিক অসমীয়া গল্প সংগ্ৰহ*, সাহিত্য একাডেমী, ১৮৯৪ শক।

১৪। নগেন শইকীয়া : *অপাৰ্থিৱ পাৰ্থিৱ*, বাণী মন্দিৰ, ১৯৮২ চন ।

১৫। নগেন শইকীয়া : *অস্তিত্বৰ শিকলি*, গুৱাহাটী বুক ষ্টল, ১৯৭৬ চন ।

১৬। নগেন শইকীয়া : *আন্ধাৰত নিজৰ মুখ*, সাহিত্য প্ৰকাশ, ১৯৯১চন ।

১৭। নিৰ্মলপ্ৰভা বৰদলৈ : *অসমীয়া গল্প সংকলন*, নেছনেল বুক ট্ৰাষ্ট, ১৯৭৯চন ।

১৮। নিৰুপমা বৰগোহাঞি : *নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প*, সুভদ্ৰা প্ৰকাশন, ১৯৯৮চন ।

১৯। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য : *কলং আজিও বয়*, চন্দ্ৰ প্ৰকাশ, ২য় প্ৰকাশ, ১৯৮৭ চন ।

২০। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য : *সাতসৰী*, চন্দ্ৰ প্ৰকাশ, ২য় প্ৰকাশ, ১৯৯৭ চন ।

২১। বীৰেশ্বৰ বৰুৱা : *প্ৰথম ৰাগিনী*, শ্ৰীভূমি পাবলিচিং কোম্পানী, ১৯৫৯ চন ।

২২। বিভুভূষণ চৌধুৰী : *অসমীয়া গল্প সঞ্চয়ন*, অসমীয়া সাহিত্য মন্দিৰ, ১৯৫৭ চন

২৩। ভবেন্দ্ৰ নাথ শইকীয়া ঃ *তৰংগ*, ষ্টুডেণ্টচ্ ষ্ট'ৰচ, ১৯৭৯চন ।

২৪। ভবেন্দ্ৰ নাথ শইকীয়া ঃ *গহ্বৰ*, বনলতা, ৩য় প্ৰকাশ, ১৯৮৭ চন ।

২৫। ভবেন্দ্ৰ নাথ শইকীয়া ঃ *শৃংখল*, প্ৰকাশক ঘন হাজৰিকা, ১৯৭৫চন ।

২৬। মামণি ৰয়চম গোস্বামী ঃ *মামণি ৰয়চম গোস্বামীৰ প্ৰিয় গল্প*, জ্যোতি প্ৰকাশন, ১৯৯৮চন ।

২৭। যোগেশ দাস ঃ *পৃথিৱীৰ অসুখ*, পূৰ্বশ্ৰী প্ৰকাশন, ১৯৭৯ চন ।

২৮। যোগেশ দাস (সম্পাঃ)
মহেশ্বৰ নেওগ (সম্পাঃ)
নাৰায়ণ শৰ্মা (সম্পাঃ) ঃ *অসমীয়া গল্পগুচ্ছ*, অসম সাহিত্য সভা, ১৯৭৮ চন ।

২৯। লক্ষীনন্দন বৰা ঃ *ব্যতিক্ৰম*, শ্ৰীভূমি পাবলিচিং কোম্পানী, ১৯৭৬ চন ।

৩০। সৌৰভ কুমাৰ চলিহা ঃ *অসান্ত ইলেকণ্ট্ৰন,* লয়াৰ্চ বুক ষ্টল, ১৯৬২ চন ।

৩১। হীৰেন গোহাঁই ঃ *গল্প সমগ্ৰ ঃ মহিম বৰা,* গোলোকৰায় মেধি স্মৃতি প্ৰকাশন, ১ম প্ৰকাশ, ১৯৯৩ চন।

৩২। হোমেন বৰগোহাঞি (সম্পাঃ) ঃ *অসমীয়া গল্প সংকলন* (১ম খণ্ড) অসম প্ৰকাশ পৰিষদ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭৫ চন।

৩৩। হোমেন বৰগোহাঞি (সম্পাঃ) ঃ *অসমীয়া গল্প সংকলন* (২য় খণ্ড) অসম প্ৰকাশ পৰিষদ, গুৱাহাটী, ১ম প্ৰকাশ, ১৯৭৬ চন।

৩৪। হোমেন বৰগোহাঞি (সম্পাঃ) ঃ *বিভিন্ন নৰক*, ষ্টুডেণ্টচ ষ্ট'ৰচ, ১৯৯৫ চন ।

৩৫। নন্দ তালুকদাৰ (সম্পা.) ঃ *ৰৌদ্ৰ নীলিমা*, গুৱাহাটী বুক ষ্টল, ১৯৬৯ চন ।

৩৬। হেমন্ত কুমাৰ শৰ্মা (সম্পা.) ঃ *নগেন্দ্ৰনাৰায়ন চৌধুৰীৰ গল্প,* অসম সাহিত্য সভা, ১৯৬৩ চন ।

৩৭। হোমেন বৰগোহাঞি ঃ *চাৰিটা দশকৰ ফচল- গল্প আৰু প্ৰবন্ধ সমগ্ৰ,*ষ্টুডেণ্টচ্ ষ্ট'ৰচ, গুৱাহাটী, ১ম প্ৰকাশ ১৯৯৭ চন।

৩৮। হৃদয়ানন্দ গগৈ (সম্পা) ঃ *গল্প আৰু শিল্প* - ডº ভবেন্দ্ৰ নাথ শইকীয়াৰ চাৰিটা দশকৰ শ্ৰেষ্ঠ গল্প, জ্যোতি প্ৰকাশন, ১ম প্ৰকাশ, ১৯৯৮ চন ।

৪০। হৃদয়ানন্দ গগৈ ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প* - জ্যোতি প্ৰকাশন, ১ম প্ৰকাশ ১৯৯৭ চন ।

## বাংলা গ্ৰন্থ


১। অজয় চট্টোপাধ্যায় ঃ *ফ্রয়েডীয় ভালবাসা*, নাথ পাবলিশিং, ১৯৯৫ চন ।

২। বিজিত ঘোষ ঃ *বাংলা ছোটগল্পে প্রতিবাদী চেতনা*, সন্দীপ নায়ক কর্তৃক প্রকাশিত এবং ডটলাইন প্রিণ্ট আণ্ড প্রসেস, ২০০০ চন ।

৩। শিশির কুমার দাস, ঃ*বাংলা ছোট গল্প*, দে'জ পাবলিশিং, কলকাতা, ১৯৬৩


---

## ইংৰাজী গ্ৰন্থ


1. Alfred H. Upham : *TheTypical forms of English Literature* A. I. T. B. S. Publishers and distributors, 2000.
2. Birinchi Kumar Barua : *History of Assamese Literature*, Sahitya Academi, 1964.
3. Hem Barua : *Assamese literature,* National Book Trust, 1965.
4. W. H. Hudson : *An Introduction to the study of English literature*, 2nd Edition, A.I.T.B.S. Publishers and Distributors, New Delhi.
5. : *The New Encyclopaedia Britannica* : Volume 3 & 4, Micropaedia, 15th edition, 1998.

ক)ৰামধেনু

| | | | | |
|---|---|---|---|---|
| ১। | সম্পাদক | ঃ | ইন্দ্ৰকমল বেজবৰুৱা | - ৩য় বছৰ, ১ম সংখ্যা (১৮৭২ শক) ১৯৫০- ৫১চন |
| ২। | ঐ | ঃ | ইন্দ্ৰকমল বেজবৰুৱা | - ৩য় বছৰ, ২য় সংখ্যা |
| ৩। | ঐ | ঃ | ইন্দ্ৰকমল বেজবৰুৱা | - ৩য় বছৰ, ৩য় সংখ্যা |
| ৪। | ঐ | ঃ | ইন্দ্ৰকমল বেজবৰুৱা | - ৩য় বছৰ, ৪ৰ্থ সংখ্যা |
| ৫। | ঐ | ঃ | ইন্দ্ৰকমল বেজবৰুৱা | - ৩য় বছৰ, ৫ম সংখ্যা |
| ৬। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ৬ষ্ঠ সংখ্যা |
| ৭। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ৭ম সংখ্যা |
| ৮। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ৮ম সংখ্যা |
| ৯। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ৯ম সংখ্যা |
| ১০। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ১০ম সংখ্যা |
| ১১। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ১১শ সংখ্যা |
| ১২। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৩য় বছৰ, ১২শ সংখ্যা |
| ১৩। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ১ ম সংখ্যা (১৮৭৩ শক) ১৯৫১- ৫২ চন |
| ১৪। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ২য় সংখ্যা |
| ১৫। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৩য় সংখ্যা |
| ১৬। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৪ৰ্থ সংখ্যা |
| ১৭। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৫ম সংখ্যা |
| ১৮। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৬ষ্ঠ সংখ্যা |
| ১৯। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৭ম সংখ্যা |
| ২০। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৮ম সংখ্যা |
| ২১। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ৯ম সংখ্যা |
| ২২। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ১০ম সংখ্যা |
| ২৩। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ১১শ সংখ্যা |
| ২৪। | ঐ | ঃ | মহেশ্বৰ নেওগ | - ৪ৰ্থ বছৰ, ১২শ সংখ্যা |
| ২৫। | ঐ | ঃ | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | - ৫ম বছৰ, ১ম সংখ্যা (১৮৭৪ শক) ১৯৫২- ৫৩ চন |
| ২৬। | ঐ | ঃ | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | - ৫ম বছৰ, ২য় সংখ্যা |

২৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৩য় সংখ্যা
২৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৪ৰ্থ সংখ্যা
২৯। সম্পাদক ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৫ম সংখ্যা
৩০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৬ষ্ঠ সংখ্যা
৩১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৭ম সংখ্যা
৩২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৮ম সংখ্যা
৩৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ৯ম সংখ্যা
৩৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ১০ম সংখ্যা
৩৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ১১শ সংখ্যা
৩৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৫ম বছৰ, ১২শ সংখ্যা
৩৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ১ম সংখ্যা (১৮৭৫ শক) ১৯৫৩- ৫৪ চন
৩৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ২য় সংখ্যা
৩৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৩য় সংখ্যা
৪০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৪ৰ্থ সংখ্যা
৪১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৫ম সংখ্যা
৪২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৬ষ্ঠ সংখ্যা
৪৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৭ম সংখ্যা
৪৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৮ম সংখ্যা
৪৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ৯ম সংখ্যা
৪৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ১০ম সংখ্যা
৪৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ১১শ সংখ্যা
৪৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৬ষ্ঠ বছৰ, ১২শ সংখ্যা
৪৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ১ম সংখ্যা (১৮৭৬ শক) ১৯৫৪- ৫৫ চন
৫০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ২য় সংখ্যা
৫১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৩য় সংখ্যা
৫২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৪ৰ্থ সংখ্যা

৫৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৫ম সংখ্যা

৫৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৬ষ্ঠ সংখ্যা

৫৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৭ম সংখ্যা

৫৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৮ম সংখ্যা

৫৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ৯ম সংখ্যা

৫৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ১০ম সংখ্যা

৫৯। সম্পাদক ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ১১শ সংখ্যা

৬০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৭ম বছৰ, ১২শ সংখ্যা

৬১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ১ম সংখ্যা (১৮৭৭ শক) ১৯৫৫- ৫৬ চন

৬২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ২য় সংখ্যা

৬৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ৩য় সংখ্যা

৬৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ৫ম সংখ্যা

৬৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ৬ষ্ঠ সংখ্যা

৬৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ৭ম সংখ্যা

৬৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ৮ম সংখ্যা

৬৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ৯ম সংখ্যা

৭০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ১০ম সংখ্যা

৭১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ১১শ সংখ্যা

৭২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৮ম বছৰ, ১২শ সংখ্যা

৭৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ১ম সংখ্যা (১৮৭৮ শক) ১৯৫৬- ৫৭ চন

৭৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ২য় সংখ্যা

৭৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৩য় সংখ্যা

৭৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৪ৰ্থ সংখ্যা

৭৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৫ম সংখ্যা

৭৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৬ষ্ঠ সংখ্যা

৭৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৭ম সংখ্যা

৮০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৮ম সংখ্যা

৮১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ৯ম সংখ্যা
৮২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ১০ম সংখ্যা
৮৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ১১শ সংখ্যা
৮৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ৯ম বছৰ, ১২শ সংখ্যা
৮৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ১ম সংখ্যা (১৮৭৯ শক) ১৯৫৭- ৫৮চন
৮৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ২য় সংখ্যা
৮৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৩য় সংখ্যা
৮৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৪ৰ্থ সংখ্যা
৮৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৫ম সংখ্যা
৯০। সম্পাদক ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৬ষ্ঠ সংখ্যা
৯১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৭ম সংখ্যা
৯২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৮ম সংখ্যা
৯৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ৯ম সংখ্যা
৯৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ১০ম সংখ্যা
৯৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ১১শ সংখ্যা
৯৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১০ম বছৰ, ১২শ সংখ্যা
৯৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ১ম সংখ্যা (১৮৮০ শক) ১৯৫৮-৫৯ চন
৯৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ২য় সংখ্যা
৯৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৩য় সংখ্যা
১০০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৪ৰ্থ সংখ্যা
১০১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৫ম সংখ্যা
১০২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৬ষ্ঠ সংখ্যা
১০৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৭ম সংখ্যা
১০৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৮ম সংখ্যা
১০৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ৯ম সংখ্যা
১০৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ১০ম সংখ্যা
১০৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ১১শ সংখ্যা

১০৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১১শ বছৰ, ১২শ সংখ্যা

১০৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ,১ম সংখ্যা (১৮৮১ শক) ১৯৫৯-৬০ চন

১১০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ২য় সংখ্যা

১১১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৩য় সংখ্যা

১১২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৪ৰ্থ সংখ্যা

১১৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৫ম সংখ্যা

১১৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৬ষ্ঠ সংখ্যা

১১৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৭ম সংখ্যা

১১৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৮ম সংখ্যা

১১৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ৯ম সংখ্যা

১১৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ১০ম সংখ্যা

১১৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ১১শ সংখ্যা

১২০।সম্পাদক ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১২শ বছৰ, ১২শ সংখ্যা

১২১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ১ম সংখ্যা (১৮৮২ শক) ১৯৬০-৬১ চন

১২২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ২য় সংখ্যা

১২৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৩য় সংখ্যা

১২৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৪ৰ্থ সংখ্যা

১২৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৫ম সংখ্যা

১২৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৬ষ্ঠ সংখ্যা

১২৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৭ম সংখ্যা

১২৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৮ম সংখ্যা

১২৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ৯ম সংখ্যা

১৩০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ১০ম সংখ্যা

১৩১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ১১শ সংখ্যা

১৩২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৩শ বছৰ, ১২শ সংখ্যা

১৩৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ১ম সংখ্যা (১৮৮৩ শক) ১৯৬১-৬২ চন

১৩৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ২য় সংখ্যা

১৩৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৩য় সংখ্যা

১৩৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৪ৰ্থ সংখ্যা
১৩৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৫ম সংখ্যা
১৩৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৬ষ্ঠ সংখ্যা
১৩৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৭ম সংখ্যা
১৪০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৮ম সংখ্যা
১৪১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ৯ম সংখ্যা
১৪২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ১০ম সংখ্যা
১৪৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ১১শ সংখ্যা
১৪৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৪শ বছৰ, ১২শ সংখ্যা
১৪৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ১ম সংখ্যা (১৮৮৪ শক) ১৯৬২-৬৩ চন
১৪৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ২য় সংখ্যা
১৪৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৩য় সংখ্যা
১৪৮। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৪ৰ্থ সংখ্যা
১৪৯। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৫ম সংখ্যা
১৫০। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৬ষ্ঠ সংখ্যা
১৫১। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৭ম সংখ্যা
১৫২। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৮ম সংখ্যা
১৫৩। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ৯ম সংখ্যা
১৫৪। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ১০ম সংখ্যা
১৫৫। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ১১শ সংখ্যা
১৫৬। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৫শ বছৰ, ১২শ সংখ্যা
১৫৭। ঐ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য - ১৬শ বছৰ, ১ম সংখ্যা (১৮৮৫ শক) ১৯৬৩-৬৪ চন
১৫৮। সম্পাদক ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ২য় সংখ্যা
১৫৯। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ২য় সংখ্যা
১৬০। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ৪ৰ্থ সংখ্যা
১৬১। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ৫ম সংখ্যা
১৬২। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ৬ষ্ঠ সংখ্যা

৬৩। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ৭ম সংখ্যা

১৬৪। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ৮ম সংখ্যা

১৬৫। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ৯ম সংখ্যা

১৬৬। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ১০ম সংখ্যা

১৬৭। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ১১শ সংখ্যা

১৬৮। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৬শ বছৰ, ১২শ সংখ্যা

১৬৯। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ১ম সংখ্যা (১৮৮৬ শক)১৯৬৪-৬৫ চন

১৭০। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ২য় সংখ্যা

১৭১। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৩য় সংখ্যা

১৭২। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৪ৰ্থ সংখ্যা

১৭৩। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৫ম সংখ্যা

১৭৪। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৬ষ্ঠ সংখ্যা

১৭৫। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৭ম সংখ্যা

১৭৬। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৮ম সংখ্যা

১৭৭। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ৯ম সংখ্যা

১৭৮। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ১০ম সংখ্যা

১৭৯। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ১১শ সংখ্যা

১৮০। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৭শ বছৰ, ১২শ সংখ্যা

১৮১। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ১ম সংখ্যা (১৮৮৭ শক) ১৯৬৫-৬৬ চন

১৮২। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ২য় সংখ্যা

১৮৩। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ৩য় সংখ্যা

১৮৪। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ৪ৰ্থ সংখ্যা

১৮৫। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ৫ম সংখ্যা

১৮৬। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ৬ষ্ঠ সংখ্যা

১৮৭। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ৭ম সংখ্যা

১৮৮। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ৯ম সংখ্যা

১৮৯। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ১০ম সংখ্যা

১৯০। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ১১শ সংখ্যা

১৯১। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৮শ বছৰ, ১২শ সংখ্যা

১৯২। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯শ বছৰ, ১ম সংখ্যা (১৮৮৮ শক) ১৯৬৬-৬৭ চন

১৯৩। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯শ বছৰ, ২য় সংখ্যা - ৩য় সংখ্যা

১৯৪। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯শ বছৰ, ৪র্থ সংখ্যা - ৫ম সংখ্যা

১৯৫। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯শ বছৰ, ৯ম সংখ্যা

১৯৬। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৭৯ চন, আগষ্ট মাহ, ১ম সংখ্যা

১৯৭। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৭৯ চন, চেপ্তেম্বৰ মাহ, ২য় সংখ্যা

১৯৮। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৭৯ চন, অক্টোবৰ মাহ, ৩য় সংখ্যা

১৯৯। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৭৯ চন, নবেম্বৰ-ডিচেম্বৰমাহ, ৪র্থ সংখ্যা

২০০। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৮০ চন, জানুৱাৰী-ফেব্ৰুৱাৰী মাহ, ৫ম সংখ্যা

২০১। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৮০ চন, মাৰ্চ-এপ্ৰিল মাহ, ৬ষ্ঠ সংখ্যা

২০২। ঐ ঃ ৰাধিকা মোহন ভাগৱতী - ১৯৮০ চন, জুন-জুলাই মাহ, ৭ম সংখ্যা

খ) <u>প্ৰকাশ</u>

২০৩। সম্পাদক ঃ চন্দ্ৰপ্ৰসাদ শইকীয়া - ১০ম বছৰ, ১ম সংখ্যা, ১৯৬৯ চন

২০৪। ঐ ঃ চন্দ্ৰপ্ৰসাদ শইকীয়া - ৰূপালী জয়ন্তী সংখ্যা, ১৯৮৪ চন

—